**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 08-06-2026** **Time : 1:40 PM**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। কমনৱেল্থ সংসদীয় সংস্থা, চি পি এ-ৰ ZONE-2 সন্মিলনত অংশ লোৱাৰ বাবে লোকসভাৰ অধ্যক্ষ ওম বিৰলা আজি কিছু সময় পূৰ্বে চণ্ডীগড়ত উপস্থিত হয়।

২। ভাৰতে কাইলৈৰ পৰা ১৩ জুনলৈ মধ্যপ্ৰদেশৰ ইণ্ডোৰত ব্ৰিক্ছ ৰাষ্ট্ৰগোষ্ঠীৰ কৃষি কৰ্মগোট আৰু কৃষি মন্ত্ৰীসকলৰ এলানি বৈঠকৰ আয়োজন কৰিছে।

৩। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত বৰ্তমানলৈ চাৰি কোটিতকৈও অধিক ঘৰ নিৰ্মাণ কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লালে প্ৰকাশ কৰিছে।

৪। আকাশবাণীয়ে আজি ৯০ বছৰ সম্পূৰ্ণ কৰিলে।

*আৰু*

৫। ভাৰত আৰু আফগানিস্তানৰ মাজত হোৱা ক্ৰিকেট টেষ্টৰ আজি তৃতীয় দিনা আফগানিস্তানে ফ'ল' অনৰ সন্মুখীন হৈছে।

০০০০০০০

কমনৱেল্থ সংসদীয় সংস্থা, চি পি এ-ৰ ZONE-2 সন্মিলনত অংশ লোৱাৰ বাবে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি কিছু সময় পূৰ্বে চণ্ডীগড়ত উপস্থিত হয়। তেওঁ হাৰিয়ানাৰ লোকভৱনত ৰাজ্যপাল অসীম কুমাৰ ঘোষক সাক্ষাৎ কৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। উল্লেখযোগ্য যে হাৰিয়ানা বিধানসভাই এই সন্মিলনৰ আয়োজন কৰিছে। ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াৱ সিং ছাইনী, হাৰিয়ানা বিধানসভাৰ অধ্যক্ষ হৰবিন্দৰ কল্যাণ, দেশৰ ১৫ খন বিধানসভাৰ প্ৰিজাইডিং বিষয়া তথা বিধানসভাৰ সদস্যসকলে এই সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত হাৰিয়ানা বিধানসভাৰ অধ্যক্ষ হৰবিন্দৰ কল্যানে ভাষণ দিব। অনুষ্ঠানত হাৰিয়ানাৰ ইতিহাস আৰু বিকাশক সামৰি এখন বিশেষ তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ পাছত লোকসভাৰ অধ্যক্ষ ওম বিৰলা, ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নায়াৱ সিং ছাইনীয়ে ভাষণ দিব।

০০০০০০০

ভাৰতে অহা কাইলৈৰ পৰা ১৩ জুনলৈ মধ্যপ্ৰদেশৰ ইণ্ডোৰত ব্ৰিক্ছ ৰাষ্ট্ৰগোষ্ঠীৰ কৃষি কৰ্মগোট আৰু কৃষি মন্ত্ৰীসকলৰ এলানি বৈঠকৰ আয়োজন কৰিছে। ভূপালত আজি এখন সংবাদমেল সম্বোধন কৰি কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে ভাৰতৰ চলিত বছৰত ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতা সূত্ৰে এই বৈঠকসমূহৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে সম্প্ৰতি ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠী শক্তিশালী গোলকীয় মঞ্চ হিচাপে পৰিগণিত হৈছে। ব্ৰিকছ ৰাষ্ট্ৰসমূহে বিশ্বৰ কৃষি ভূমিৰ ৪২ শতাংশ অধিকাৰ কৰি আছে আৰু গোলকীয় খাদ্য উৎপাদনৰ ৪৫

শতাংশ বৰঙণি যোগাই আহিছে। শ্ৰীচৌহানে এই বৈঠকসমূহে ব্ৰিকছ ৰাষ্ট্ৰসমূহৰ কৃষি সম্পৰ্কীয় সহযোগিতাক নতুন দিশ দিব বুলি আশা প্ৰকাশ কৰে। এই বৈঠকসমূহত কৃষকৰ উপাৰ্জন, নিয়োগ, জীৱিকা, কৃষি ঋণ আৰু বজাৰ ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হ'ব। তদুপৰি খাদ্য সুৰক্ষা, কৃষি বাণিজ্য, জলবায়ু সহনশীলতা আৰু কৃষি ক্ষেত্ৰৰ উদ্ভাৱন আদি বিষয়ো বৈঠকত স্থান লাভ কৰিব।

0000000

প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত বৰ্তমানলৈ চাৰি কোটিতকৈও অধিক ঘৰ নিৰ্মাণ কৰা হৈছে। কেন্দ্ৰীয় গৃহ আৰু নগৰীয়া পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে কয়, যে শৌচাগাৰ, ৰন্ধন গেছ আৰু পানীৰ নল সংযোগেৰে তথা সকলো আধুনিক সা-সুবিধাৰে প্ৰধানমন্ত্ৰী আবাস যোজনা আঁচনি ৰূপায়ণ কৰা হৈছে। এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে এই সফলতাই দেশৰ গৃহ খণ্ডৰ সংস্কাৰৰ ৰূপ প্ৰতিফলিত কৰিছে। ইয়াৰ জৰিয়তে দেশৰ কোটি কোটি জনসাধাৰণৰ মুখত সন্মান, নিৰাপত্তা আৰু আশাৰ ভাব ফুটি উঠিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত সৰ্বাত্মক উন্নয়ন সম্ভৱ হৈছে। দেশত দুখীয়া শ্ৰেণীৰ  কল্যাণ কাৰ্যসূচীৰ বাবে যি আৰ্হি প্ৰস্তুত কৰা হৈছে সেয়া সমগ্ৰ বিশ্বৰ বাবে অনুপ্ৰেৰণাদায়ক হৈছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

0000000

আকাশবাণীয়ে আজি ৯০ বছৰ সম্পূৰ্ণ কৰিলে। ১৯৩৬ চনৰ এই দিনটোতে ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং ছাৰ্ভিচৰ নাম সলনি কৰি অল ইণ্ডিয়া ৰেডিঅ' হিচাপে নামকৰণ কৰা হৈছিল। দেশৰ সাংস্কৃতিক, তথ্য আৰু সম্প্ৰচাৰৰ ইতিহাসত আজিৰ দিনটো এটা বিশেষ ক্ষণ হিচাপে ধৰা হয়, কাৰণ এই দিনটোতেই প্ৰজন্মৰ পাছত প্ৰজন্মলৈ প্ৰতিধ্বনিত হোৱা এটা কণ্ঠৰ জন্ম হয়।

স্বাধীনতাৰ পাছত অল ইণ্ডিয়া ৰেডিঅ'ৰ দ্ৰুত সম্প্ৰসাৰণ হয় আৰু ১৯৫৬ চনত পুনৰ ইয়াৰ নাম সলনি কৰি আকাশবাণী ৰখা হয়। বৰ্তমান আকাশবাণীয়ে ৫৯১টা কেন্দ্ৰৰ পৰা ২৩ ভাষা আৰু ১৪৬টা উপ-ভাষাত দেশৰ মুঠ জনসংখ্যাৰ ৯৮ শতাংশ লোকৰ বাবে সেৱা আগবঢ়াই আছে। আকাশবাণীৰ বৈদেশিক সেৱা বিভাগে ১০০ খনৰো অধিক দেশত সম্প্ৰচাৰৰ জৰিয়তে ভাৰতৰ কণ্ঠক বিশ্বত প্ৰতিষ্ঠা কৰিছে। একেদৰে বহুজন হিতায়, বহুজন সুখায় আদৰ্শৰে আকাশবাণীৰ বাতৰি সেৱা বিভাগে প্ৰায়বোৰ মুখ্য ভাষা আৰু উপ-ভাষাত ২৪ ঘণ্টাই সমগ্ৰ দেশৰ প্ৰতিটো ঘটনাৰ বাতৰি পৰিৱেশন কৰি আহিছে।

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল যাত্ৰা উপলক্ষে শুভেচ্ছা জনাইছে। এটা ভিডিঅ বাৰ্তাত শ্ৰীৰিজিজুৱে কয়, যে বৰ্তমান সমগ্ৰ ৰাষ্ট্ৰ আকাশবাণীৰ সৈতে জড়িত হৈ আছে। আকাশবাণীৰ জৰিয়তে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ ভাৱনা অধিক শক্তিশালী হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

0000000

অহা ২১ জুনত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা আৰু প্ৰৱেশ পৰীক্ষা, নীট অনুষ্ঠিত হ'বলগীয়া চহৰসমূহৰ নাম ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰিছে। সংস্থাটোৱে জাৰি কৰা অধিসূচনা অনুসৰি ২১ জুনত দেশৰ ৫৫১ খন চহৰ আৰু বিদেশৰ ১৪খন চহৰত বিয়লি ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ নীটৰ পুনৰ পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষা হ'বলগীয়া চহৰৰ সূচনা পত্ৰখন প্ৰৱেশ পত্ৰ

নহয় আৰু কেৱল পৰীক্ষাৰ্থীসকলক তেওঁলোকৰ পৰীক্ষা কেন্দ্ৰৰ বিষয়ে অৱগত কৰোৱাৰ বাবেহে এয়া প্ৰকাশ কৰা হৈছে বুলি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই স্পষ্ট কৰি দিছে। সংস্থাটোৱে লগতে পৰীক্ষা আৰু প্ৰৱেশ পত্ৰৰ শেহতীয়া তথ্যৰ বাবে ইয়াৰ অফিচিয়েল ৱেবছাইট পৰীক্ষা কৰি থাকিবলৈ পৰীক্ষাৰ্থীসকলক আহ্বান জনাইছে।

উল্লেখযোগ্য যে চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে নীট-ইউজি যোৱা ৩ মে'ত অনুষ্ঠিত হৈছিল যদিও প্ৰশ্নকাকত ফাদিলৰ অভিযোগত ১২ মে'ত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই নীট বাতিল কৰে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই সম্প্ৰতি বিষয়টো তদন্ত কৰি আছে।

০০০০০০০

তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ সুখেন্দু শেখৰে আজি তেওঁ দলৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰে। শ্ৰী ৰয়ে ৰাজ্যসভাৰ সদস্যপদ ত্যাগ কৰাই নহয়, বৰং দলৰ প্ৰাথমিক সদস্য পদৰ পৰাও পদত্যাগৰ ঘোষণা কৰে।

সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এটা বাৰ্তাত শ্ৰী ৰয়ে তৃণমূল কংগ্ৰেছ দলটো দুৰ্নীতি, মহিলাৰ বিৰুদ্ধে অপৰাধমূলক কামকাজ কৰা, শিক্ষা, স্বাস্থ্য, উদ্যোগ, নিযুক্তি আৰু আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। তেওঁ কয়, যে শেহতীয়াকৈ অনুষ্ঠিত পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনলৈ আঙুলিয়াই দি কয়, যে বিগত ১৫ বছৰ ৰাজ্যক শাসন কৰা দলটোৱে ভোট যুদ্ধত সম্পূৰ্ণৰূপে পৰাস্ত হয়। পশ্চিমবংগৰ বুৰঞ্জীত প্ৰথমবাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে বৃহৎ পৰিমাণৰ আসনত জয়লাভ কৰি চৰকাৰ গঠন কৰে। মন্ত্ৰী শ্ৰী ৰয়ে লগতে কয়, যে নতুন তথা নিৰ্বাচিত চৰকাৰখনে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ বাবে যথেষ্ট কাম কৰি আহিছে।

০০০০০০০

তৃণমূল কংগ্ৰেছৰ শক্তিশালী নেতা জাহাংগীৰ খানক আজি পুৱা পশ্চিম বংগ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। নেপাল সীমান্তৰ ওচৰত তেওঁক আটক কৰা হয়। সীমান্ত পাৰ কৰিবলৈ চেষ্টা কৰা অৱস্থাতেই এছ টি এফে গোপন সূত্ৰৰ পম খেদি গৈ তেওঁক আটক কৰে। সম্প্ৰতি খানক অধিক সোধা-পোছাৰ বাবে কলকাতালৈ লৈ অহা হৈছে। উল্লেখযোগ্য যে যোৱা ২১ মে'ত অনুষ্ঠিত ফাল্টা বিধানসভা সমষ্টিৰ নিৰ্বাচনৰ সময়ৰ ঘটনাক কেন্দ্ৰ কৰি খানক গ্ৰেপ্তাৰ কৰা হয়। এই নিৰ্বাচনৰ ভোটগ্ৰহণৰ ৪৮ ঘণ্টা পূৰ্বে জাহাংগীৰ খানে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰি এখন সংবাদ মেলত মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে প্ৰতিশ্ৰুতি দিয়া উন্নয়নৰ বিশেষ পেকেজৰ সমৰ্থনত তেওঁ প্ৰাৰ্থিত্বৰ পৰা আঁতৰি আহিছে বুলি প্ৰকাশ কৰিছিল। প্ৰত্যাহাৰৰ পাছতো বেলটত তৃণমূল কংগ্ৰেছৰ প্ৰতীকৰ বিপৰীতে খানৰ নাম সন্নিৱিষ্ট থাকে যদিও বিজেপিৰ প্ৰাৰ্থীয়ে সমষ্টিটোত জয়লাভ কৰে। এই পৰাজয়ৰ পাছতে তৃণমূল কংগ্ৰেছৰ নেতাগৰাকী লোকচক্ষুৰ  পৰা আঁতৰত থকাৰ লগতে নিজৰ বাসগৃহ আৰু দলীয় কাৰ্যালয়তো অনুপস্থিত আছিল। কলিকতা উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠে টি এম চিৰ নেতাগৰাকীৰ অন্তৰ্বৰ্তীকালীন সুৰক্ষা বৃদ্ধি কৰিবলৈ অস্বীকাৰ কৰাৰ কেইসপ্তাহ মানৰ পাছতে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে। ন্যায়াধীশ পাৰ্থসাৰথি চেটাৰ্জীয়ে বিষয়টো নিয়মীয়া বিচাৰপীঠলৈ প্ৰেৰণ কৰিছে। ইয়াৰ আগেযে ন্যায়াধীশ সৌগত ভট্টাচাৰ্যৰ বিচাৰপীঠে যোৱা ২৬ মে' পৰ্যন্ত তেওঁক অন্তৰ্ৱৰ্তী সুৰক্ষা প্ৰদান কৰিছিল।

০০০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজত নিউ চণ্ডিগড়ত অনুষ্ঠিত টেষ্ট ক্রিকেটৰ প্রথম ইনিংছত আফগানিস্তানে আজি তৃতীয় দিনাৰ খেল আৰম্ভ কৰি ১৫২ ৰানত আটাইকেইটা উইকেট হেৰুৱাই নিজৰ প্রথম ইনিংছ সামৰে। দলটোৱে বৰ্তমান ৯ উইকেটৰ বিনিময়ত ১৫২ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে ভাৰতে কালি নিজৰ প্রথম ইনিংছৰ সামৰণিত ৮ উইকেটৰ বিনিময়ত ৫৬৪ ৰান সংগ্রহ কৰে। দলৰ হৈ অধিনায়ক সুভমন গীলে ১২৬ ৰান কৰাৰ লগতে কে এল ৰাহুলে ১০০ ৰান কৰে। ঋষভ পণ্ট আৰু সাই সুদৰ্শনে ৮১ ৰানকৈ বৰঙণি আগবঢ়ায়। ৱাশ্বিংটন সুন্দৰ ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। আফগানিস্তানৰ চলিম ছাফিয়ে ৬টা উইকেট লাভ কৰে।

০০০০০০০

সমাপ্ত